**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-04-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যৰ ৫ টা সমষ্টিত আজি শান্তিপূৰ্ণভাৱে লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হয়। শেহতীয়া তথ্য অনুসৰি বিয়লি ৫ বজা পৰ্যন্ত ৰাজ্যখনত প্ৰায় ৭১ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত ভোটদাতাসকলে উৎসাহ উদ্দীপনাৰে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰা পৰিলক্ষিত হৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ৮৬ লাখ ৪৭ হাজাৰ ৮ শ উনসত্তৰ। ইয়াৰে ৪২ লাখ ৮২ হাজাৰ ৮৮৭ জন পুৰুষ হোৱাৰ বিপৰীতে ৪৩ লাখ ৬৪ হাজাৰ ৮ শ উনষাঠি গৰাকী মহিলা। তদুপৰি ১২৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা। ৫ টা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা ৩৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৪ গৰাকী মহিলা প্ৰাৰ্থী। ইয়াৰ ভিতৰত ৩ গৰাকীয়ে কাজিৰঙা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে আন এগৰাকীয়ে শোণিতপুৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছে।

বিয়লি ৫ বজালৈ লাভ কৰা তথ্য অনুসৰি **শোণিতপুৰ** সমষ্টিত ৬৯ দশমিক ৮-৪ শতাংশ, **কাজিৰঙা** সমষ্টিত ৬৮ দশমিক ৯-০ শতাংশ, ডিব্ৰুগড় লোকসভা সমষ্টিত ৭০ দশমিক ৬-৫ শতাংশ, লখিমপুৰ সমষ্টিত ৬৮ দশমিক ৩-৪ শতাংশ আৰু যোৰহাটত ৭৬ দশমিক ২-০ শতাংশ ভোটদান সম্পূৰ্ণ হৈছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কামাখ্যা প্ৰসাদ তাছা, ৰণজিৎ দত্ত, লুৰিণজ্যোতি গগৈ, গৌৰৱ গগৈকে ধৰি কেইবাগৰাকীও আগশাৰী নেতাৰ আজি ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। শোণিতপুৰ সমষ্টিৰ পৰা ৮ গৰাকী, ডিব্ৰুগড় লোকসভা সমষ্টিৰ পৰা ৩ গৰাকী, কাজিৰঙাৰ পৰা এঘাৰ গৰাকী, লখিমপুৰৰ ৯ গৰাকী, আৰু যোৰহাট সমষ্টিৰ ৪ গৰাকীকে ধৰি ৩৫ গৰাকী প্ৰাৰ্থীয়ে আজি প্ৰতিদ্বন্দ্বিতা কৰিছে। যোৰহাট লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈ, গৌৰৱ গগৈ, ডিব্ৰুগড় সমষ্টিৰ সৰ্বানন্দ সোণোৱাল, লুৰিণজ্যোতি গগৈকে ধৰি কেইবাগৰাকীও আগশাৰীৰ নেতাই আজি পুৱাৰ ভাগত নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই কলিয়াবৰত ভোটদান কৰে। এইবেলি ৰাজ্যত পুৰণি ভোটদাতাসকলৰ সমান্তৰালকৈ নতুন ভোটদাতাৰো ব্যাপক অংশগ্ৰহণ পৰিলক্ষিত হৈছে। পুৱাৰে পৰা ভোটকেন্দ্ৰসমূত শাৰী পাতি ভোটদাতাসকলে ভিৰ কৰা পৰিলক্ষিত হৈছে। জ্যেষ্ঠ নাগৰিকসকলেও বিপুল উৎসাহেৰে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিবলৈ ওলাই আহিছে। কেইবাগৰাকীও জ্যেষ্ঠ নাগৰিকে শাৰিৰীক অসুস্থতা স্বত্তেও নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ ওলাই আহিছে। তদুপৰি বিশেষভাৱে সক্ষম নাগৰিকসকলকো ব্যাপক উৎসাহেৰে ভোটদান কৰা দেখিবলৈ পোৱা গৈছে। কাজিৰঙা লোকসভা সমষ্টিৰ অন্তৰ্গত গোলাঘাট জিলাৰ বোকাখাত বিধানসভা সমষ্টিৰ ১৩৬ নম্বৰ কলাখোৱা এল পি স্কুলৰ ভোটগ্ৰহণ কেন্দ্ৰতো বিশেষভাৱে সক্ষম লোকে পৰিচালনা কৰিছে। ৯২৬ গৰাকী ভোটাৰ থকা এই বিশেষ কেন্দ্ৰটোত ভোটদাতাসকলে ব্যাপক হাৰত ভোটদান কৰা পৰিলক্ষিত হৈছে। আনহাতে, চৰাইদেউ নিৰ্বাচনী জিলাৰ অধীনৰ ৪ টা ভোটগ্ৰহণ কেন্দ্ৰ কেৱল মহিলাই পৰিচালনা কৰিছে। মহিলা বিষয়াসকলে পৰিচালনা কৰা ভোটগ্ৰহণ কেন্দ্ৰকেইটাত পুৱাৰে পৰা ভোটদাতাৰ দীঘলীয়া শাৰী পৰিলক্ষিত হয়।

০০০০০০০০

তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ আজি সামৰণি পৰিছে। মনোনয়ন দাখিলৰ অন্তিম দিনা আজি গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধীয়ে কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ পূৰ্বে খানাপাৰাত অনুষ্ঠিত এখন জনসভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব

শৰ্মা উপস্থিত থাকে। বিজেপি প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত আয়োজিত জনসভাত ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, অগপ নেতা ৰমেন্দ্ৰ নাৰায়ণ কলিতা প্ৰমুখ্যে কেইবাগৰাকী নেতাই অংশগ্ৰহণ কৰে। ইপিনে, বৰপেটা লোকসভা সমষ্টিৰ চি পি আই এম প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰে আজি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ পূৰ্বে বৰপেটা পৌৰ সভাৰ খেলপথাৰত অনুষ্ঠিত এখন জনসভাত উদ্ধৱ বৰ্মন, হেমেন দাসসহ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে। বৰপেটা লোকসভা সমষ্টিৰ বাবে মুঠ ১৫ গৰাকী প্ৰাৰ্থী মনোনয়ন দাখিল  কৰে। মনোনয়ন দাখিলৰ সৈতে সংগতি ৰাখি কেইবাগৰাকী প্ৰাৰ্থীৰ সমৰ্থনত ৰাজহুৱা সভা তথা সমদলৰ আয়োজন কৰা হয়। অসম তৃণমূল কংগেছে আজি বৰপেটাৰ বাবে নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰে। দলটোৰ ৰাজ্যিক সভাপতি ৰিপুণ বৰাই জিলা কাৰ্যালয়ত ইস্তাহাৰ মুকলি কৰি সমষ্টিটোৰ বিকাশৰ বাবে ৯ টা বিষয় অন্তৰ্ভুক্ত কৰা হৈছে বুলি সদৰি কৰে।

০০০০০০০০

———অসমৰ উপৰি উত্তৰ পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহত আজি লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া দুই-এটা বিক্ষিপ্ত ঘটনাৰ বাদে প্ৰায় নিয়াৰিকৈ সম্পন্ন হয়। অৱশ্যে মণিপুৰৰ কেইটামান ভোটকেন্দ্ৰত কিছু অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ ফলত ভোটগ্ৰহণ ব্যাহত হয়। ৰাজ্যখনত সামগ্ৰিকভাৱে বিয়লি ৫ বজা পৰ্যন্ত ৬৮ দশমিক ৪ - ৭ শতাংশ ভোটদাতাই ভোটদান কৰে। ইপিনে, নাগালেণ্ডত প্ৰায় ৫৬ শতাংশ, অৰুণাচল প্ৰদেশত প্ৰায় ৬৪ শতাংশ,  মেঘালয়ত প্ৰায় ৭০ শতাংশ, মিজোৰামত ৫২ শতাংশৰো অধিক ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে। ইপিনে, ছিকিমত ৬৮ শতাংশৰো অধিক আৰু ত্ৰিপুৰাত সৰ্বাধিক ৭৬ শতাংশৰো অধিক ভোটদাতাই ভোটদান কৰিছে। উল্লেখযোগ্য যে অৰুণাচল, মণিপুৰ আৰু মেঘালয়ৰ দুটাকৈ তথা মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিমৰ এটাকৈ সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। মিজোৰামত একমাত্ৰ আসনখনৰ বাবে ছগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে আৰু ইয়াৰে এগৰাকী মহিলা। ইফালে, অৰুণাচল প্ৰদেশ আৰু ছিকিমত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ আজি সম্পন্ন হয়। ৫ বজালৈকে লাভ কৰা তথ্য অনুসৰি অৰুণাচল প্ৰদেশত ৬৫ শতাংশৰো অধিক আৰু ছিকিমত প্ৰায় ৬৮ শতাংশ ভোটদাতাই ভোটদান কৰিছে।

০০০০০০০০

**সমাপ্ত**